Assam Judicial Service Grade III (Mains) 2017

Paper V · Assamese · compulsory paper

৫০ নম্বৰ · ২ ঘণ্টা · ১৩ মার্চ ২০১৮ (২০১৭ বর্ষৰ নিযুক্তি)

1. অসমীয়ালৈ অনুবাদ কৰা (প্ৰতিটো শুদ্ধ উত্তৰৰ বাবে ১/২ নম্বৰকৈ): (a) The water of the well is clean. (b) The people of Assam are brave. (c) The teachers of our school are very kind. (d) Lila danced but she did not sing. (e) We ourselves caught the thief and handed over to the police. (f) He is our headmaster and his house is close to our school. (g) The car belongs to a friend of mine. (h) Nabin had to cook his meals himself, so he did not find time to do his homework. (i) Please stand up for singing the national anthem. (j) The car swerved and ran into a ditch. (৫)

2. ইংৰাজীলৈ অনুবাদ কৰা (প্ৰতিটো শুদ্ধ উত্তৰৰ বাবে ১/২ নম্বৰকৈ): (ক) তুমি নাইবা তোমাৰ ভাই যিকোনো এজন আমাৰ সভাখনলৈ আহিব লাগিব। (খ) তেওঁ সফল হ'বই, কাৰণ তেওঁ কঠোৰ পৰিশ্ৰম কৰে। (গ) এতিয়াই নগ'লে তোমাৰ দেৰী হ'ব। (ঘ) মাছৰ ইমান দাম যে কিনাই টান। (ঙ) এই ফুলটোৰ গোন্ধো নাই ৰূপো নাই। (চ) চুপ! শব্দ নকৰিবা, কেঁচুৰাটো শুই আছে। (ছ) ৰজা হোৱা হ'লে মই ৰাজকাৰেঙত থাকিলোঁহেঁতেন। (জ) প্ৰতি দেওবাৰে মই কাপোৰ ধোওঁ। (ঝ) ভগৱানে তোমাক যেন দয়া কৰে। (ঞ) বানপানীয়ে আমাৰ খেতি নষ্ট কৰিলে। (৫)

3. যি কোনো তিনিটাৰ বিপৰীতাৰ্থক শব্দ লিখা: সধবা; জ্যেষ্ঠ; আশীৰ্বাদ; আয়; অনুকূল। (৩)

4. এটা শব্দত প্ৰকাশ কৰা (যি কোনো তিনিটা): ধান থোৱা ঘৰ; যি দুয়োটা চকুৰে নেদেখে; কঁঠালৰ সৰু কলি; এবাৰ ফল দি মৰা গছ। (৩)

5. যি কোনো তিনিটাৰ শুদ্ধ অৰ্থটো লিখা: বৃকোদৰ — বলৰাম, গণেশ, ভীম, বলবাম। লম্বোদৰ — গণেশ, কাৰ্তিক, হনুমান, ৰামচন্দ্ৰ। বিভাৰৰী — মহাসাগৰ, নিশা, মধুচন্দ্ৰিকা, দিন। পঙ্কজ — শেৱালি, ভেঁটফুল, পদুম, নাৰ্জী। (৩)

6. যি কোনো তিনিটাৰ সন্ধি ভাঙা বা যোগ লগোৱা: যুধিষ্ঠিৰ; শূৰ্পণখা; শিৰঃ + ছেদ; উত্তৰ + অয়ন; অক্ষ + ঊহিনী। (৩)

7. তলত দিয়া যি কোনো আঠটাৰ অসমীয়া প্ৰতিশব্দ লিখা (শেষৰ তিনিটা আখৰেৰে): Mother-in-law; sister's son; husband's elder brother; husband's younger sister; grandson; wife's sister's husband; deed of agreement; alimony; chief Justice; ninety nine; eighty nine; thirty five. (৮)

8. খালী ঠাই পূৰণ কৰা (যি কোনো তিনিটা): (ক) আকালৰ ভাত নিদানৰ ____। (খ) পৰত ____ বনত বাস। (গ) অভাৱেই ____ মূল। (ঘ) কেৰ্কেটুৱাই তামোল খায় ____ বান্ধি কিলায়। (৩)

9. যি কোনো তিনিটা খণ্ডবাক্যৰে একোটাকৈ বাক্য ৰচনা কৰা: পদূলি শুঙা; মূৰত সৰগ ভাগি পৰা; যত কূটৰ ঘাই; হোলোঙাৰে কাণ বিন্ধোৱা; সাতঘাটৰ চেঙেলি। (৩)

10. 'এক দেশ এক নিৰ্বাচন' — প্ৰধান মন্ত্ৰীৰ ঘোষণা অনুসৰি আমাৰ দেশৰ লোক সভা, বিধান সভা, গাঁও পঞ্চায়ত, নিকায়-নগৰপালিকা আদিৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাটো সম্ভৱপৰ বা যুক্তিসংগত বুলি ভাবানে? সপক্ষে বা বিপক্ষে পঞ্চাশটামান শব্দৰ ভিতৰত তোমাৰ যুক্তি দাঙি ধৰি এটা চমু টোকা যুগুত কৰা। (৪)

11. ন্যূনতম এশ শব্দৰ ভিতৰত যি কোনো এখন ৰচনা লিখা: (ক) এডভাণ্টেজ আছাম (বিশ্ব বিনিয়োগ সন্মিলন), ২০১৮ (খ) গুৱাহাটী উচ্চ ন্যায়ালয় (গ) তথ্য জনাৰ অধিকাৰ আইন। (১০)